# অসমৰ ছবছৰীয়া বিদেশী বিতাৰণ আন্দোলনৰ কিছু অভিজ্ঞতাৰ কথাৰে

নিৰুপমা বৰগোহাঞিও

আজিকালি বহুতে এনে কথা কোৱা-কুই কৰে বা লিখে যে আলফাৰ এই হিংসাশ্ৰয়ী বিপ্লৱৰ বীজ পোতা হৈছিল অসম আন্দোলনৰ সময়তে, কিন্তু কট্টৰপন্থী আন্দোলনকাৰীসকলে নিশ্চয় এই অভিযোগ অস্বীকাৰ কৰিব, কাৰণ তেওঁলোকে এই কথাটোকে দোহাৰি থাকিছিল যে বিদেশী বিতাৰণ আন্দোলনটো সম্পূৰ্ণভাৱে মহাত্মা গান্ধীৰ নীতিৰ ওপৰতে ভেটি কৰি আৰম্ভ কৰা হৈছিল, তাৰ পিছত যেতিয়া সেই আন্দোলন অহিংস, শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক বুলি প্ৰচাৰ কৰি নানা হিংসা, হত্যা, বংলাদেশী বুলি নিৰ্মম অত্যাচাৰ কৰা ঘটনাৰে হিংস্ৰ হৈ পৰিল, তেতিয়া কিন্তু নেতাসকলে সেইবোৰ দেখিও নেদেখা কুলী চৰাইৰ ভাও লৈ থাকিল, অসমৰ বাতৰি কাকতবোৰেও পক্ষপাতমূলক দৃষ্টিভংগীয়ে গ্ৰহণ কৰি থাকিল। পিছে কোনো অসত্য আৰু যুক্তিহীন কথাৰ ওপৰত ভেটি কৰি চলা আন্দোলন সফল হ'ব নোৱাৰে, অসম আন্দোলনৰো সেই দশা হ'ল, ই সফল হ'ব নোৱাৰিলে। আন্দোলনকাৰী নেতাসকলে বাংলাদেশী বহিষ্কাৰৰ শেষ সময় সীমা ১৯৫১ চন হ'ব লাগিব বুলি নিজৰ দাবীতে অটল হৈ থাকি আন্দোলন চলাই গ'ল, ১৯৭১ চনেই শেষ সীমা হ'ব লাগে বুলি চৰকাৰে কোৱা (আৰু আমি অসম আন্দোলনৰ নেতিবাচক দিশবোৰলৈ আঙুলিয়াই ১৯৭১ চনকে বহিষ্কাৰৰ শেষ সীমা হ'ব লাগে বুলি যুক্তিৰে বুজাবৰ চেষ্টা কৰি অহা সকলেও কোৱা) কথাত তেওঁলোক কোনোমতে সন্মত নহৈ ছয় বছৰ ঘাইকৈ এটা হিংসাশ্ৰয়ী আন্দোলন চলাই অসমৰ আকাশ-বতাহ উত্তাল কৰি ৰাখিলে, স্থবিৰ হৈ গ'ল অসমৰ জনজীৱন, নানা অজুহাতত বন্ধবোৰ পালন কৰি আজি অসমত সেই সংস্কৃতি কায়েম কৰি ডাঃ বিকাশ বৰুৱাৰ ভাষাত অসমক এখন 'বন্ধ প্ৰদেশ' কৰি তুলিলে, আন্দোলনৰ নামত ল'ৰা-ছোৱালীৰ একোটা শিক্ষা বছৰ নষ্ট হ'ল। ইফালে বিদেশীয়ে আমাৰ ভাষা-সংস্কৃতি তেওঁলোকৰ বাংলা ভাষা-সাংস্কৃতিৰ আধিপত্যৰে গ্ৰাস কৰিব বুলি ভয় খাই 'অপাঠ্য' আলোচনী আদি উলিয়াই অসমত যি নৱযুগৰ সূচনা কৰিলে, তাৰফলত আন্দোলনকাৰী সাহিত্যিকসকলৰ কলমৰপৰা এই অভূতপূৰ্ব আন্দোলনটোক লৈ কোনো উচ্চ মানসম্পন্ন গল্প-উপন্যাস, প্ৰবন্ধ-পাতি নোলাল, আনহাতে আন্দোলনৰ বিৰোধিতা কৰা লেখকসকলৰ কিতাপ নলাত পেলাই দিয়া হ'ল বা দাহ কৰা হ'ল, বৰ্জন কৰা হ'ল আৰু প্ৰকাশকসকলেও ভয়তে এওঁলোকৰ কিতাপ-পত্ৰ প্ৰকাশ নকৰা হ'ল। এক কথাত, অসমৰ ভাষা-সংস্কৃতিৰ বোৱতী সুঁতিৰ গতি বোলে বিদেশীয়ে নহয়, আমি অসমীয়াই তথা আন্দোলনকাৰীসকলেহে বন্ধ কৰি দিলোঁ। বিভিন্ন জাতি-গোষ্ঠীৰ পৰস্পৰৰ মাজত সন্দেহ আৰু অসূয়াৰ বীজো সংক্ৰামিত হ'ল এই আন্দোলনৰ ফলতে। উপেন ব্ৰহ্মাকে আদি কৰি বড়োৰ যি ছাত্ৰ নেতা আৰু তেওঁলোকৰ অনুগামীসকল আন্দোলনটোত চামিল হৈছিল, আন্দোলনৰ নেতা তথা প্ৰফুল্ল মহন্তইঁতে সৰ্বাত্মক নেতৃত্বৰ লোভত তেওঁলোকক এফলীয়া কৰি থ'লে যাৰ ফলশ্ৰুতিয়েই বড়োলেণ্ড দাবীৰ আন্দোলন বুলি ক'লে ভুল কোৱা নহ'ব।





আন্দোলনৰ নেতাসকলে 'জয় আই অসম' শ্লোগানেৰে আকাশ-বতাহ মুখৰিত কৰি তুলি অসমী আইৰ এক ধৰণৰ পৰাজয়ৰহে বাট কাটিলে। অসমৰ ৰাইজো তেওঁলোকৰ নেতৃত্বত যুক্তি-সত্য-তথ্য সকলো জলাঞ্জলি দি একেবাৰে আৱেগ-সৰ্বস্ব হৈ পৰিল, পিছে সাধাৰণ ৰাইজকে বা কি দোষ দিয়া যায়, অসমৰ বেছিভাগ বুদ্ধিজীৱী, সাহিত্যিক, শিক্ষক, অধ্যাপক আদি বিশিষ্ট লোকসকলেও এই ছাত্ৰ-নেতাসকলে পৰিচালনা কৰা আন্দোলনটোৰ ঘোৰ তথা অনুগামী সমৰ্থক হৈ পৰিল। আনহে নালাগে, সাহিত্য সভাও ইয়াৰ অংশীদাৰ হ'ল আৰু এক সঁজাতি দল লৈ বিদেশী বিতাৰণৰ দাবীত দিল্লীলৈ গৈ তদানীন্তন প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ ওচৰত আবেদন-পত্ৰ দাখিল কৰিছিল যিটো কথাত মোক তেতিয়া আমাৰ সন্মুখৰ ঘৰত থকা সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাই পৰম বিতৃষ্ণাৰে কৈছিল — 'সাহিত্য সভাই চুৱাও খালে কিন্তু পেটো নভৰিল।'

পিছে ছয় বছৰীয়া আন্দোলনটোৰ ১৯৮৫ চনত কেনেকৈ সমাপ্তি ঘটিল? তেতিয়া প্ৰধান মন্ত্ৰী হোৱা ৰাজীৱ গান্ধীৰ লগত চুক্তি কৰি ১৯৭১ চনকে বিদেশী বহিষ্কাৰৰ সময় সীমা তেওঁলোকে প্ৰথমতে মানি নলৈ ছয় বছৰীয়া ৰক্তাক্ষয়ী আন্দোলনটো চলাই থাকি, সেই ছয় বছৰে ৰাজ্যখনলৈ ঘোৰ অমানিশা নমাই আনিলে, তাৰ পিছতহে নিজৰ স্থিতি সলনি কৰি আন্দোলনৰ নেতাসকলে শেষত চৰকাৰৰ স্থিতিকে মানি ল'লে! ধন-জন-শিক্ষা-সংস্কৃতি-সাহিত্য-সম্প্ৰীতি সকলোৰে কি যে বিৰাট অপচয়! পিছে বহুতে এই যুক্তিও আগবঢ়ায় যে অন্ততঃ এই চুক্তিৰ ফলত আমি এতিয়াও বহুত কিবা-কিবি পাবলৈ বাকী থাকিলেও (প্ৰধানকৈতো ১৯৭১ চনৰ পিছত অহা প্ৰায় কোনো বিদেশীৰ ফলপ্ৰসু চিনাক্তকৰণ বা বহিষ্কৰণ নোহোৱা কথাটো) বহুতো পাইছোঁও। অন্ততঃ এই নোহোৱা-নোপোজা আন্দোলনটোৱে প্ৰফুল্ল মহন্তক তেওঁৰ সহকৰ্মী ভৃগু ফুকন, অতুল বৰা — যি অতুল বৰাই 'অহা কুৰি বছৰলৈ আমি মানৱতা বাদ দিব লাগিব' বুলি কোৱা অমানৱীয় ঘোষণাটো অধুনালুপ্ত 'প্ৰতীতি' নামৰ আলোচনীখনৰ বেটুপাততো শোভা কৰিছিল — চন্দ্ৰমোহন পাটোৱাৰী, বৃন্দাবন গোস্বামী, দীগেন বৰাক লৈ দহ বছৰ অসমৰ ৰাজপাট খাই ধন-সোণ লোটাৰ সুযোগ আনি দিছিল। নেতাসকলৰ এই লাভেই আমাৰো লাভ নহয়নে? অৱশ্যে এইসকলৰ মাজত কেইজনমান দুৰ্নীতিপৰায়ণ যে নাছিল তাকো স্বীকাৰ কৰা Devil must be given his due পিছে এতিয়া স্থূল ৰসিকতা বাদ। পুনৰ আগৰ আচল প্ৰাপ্তিৰ কথালৈ আহি কওঁ — শংকৰদেৱ কলাক্ষেত্ৰ, আই আই টি, কেন্দ্ৰীয় বিশ্ববিদ্যালয় আদি পালোঁ। তথাপি মই ক'ম — ইমান মূল্যৰ বিনিময়ত ই অতি কম পাওনা, বহুতো ছহিদৰ তেজৰ মূল্য মাত্ৰ এইখিনিয়েনে? আৰু এই পাওনা হ'ল — by product, এই by product পাবলৈকে এই বিৰাট আন্দোলনটো কৰা হ'লনে? নেতা কেইজনমানক ৰাজপাট খুৱাবলৈকে অসম আন্দোলনত ছহিদ হোৱা সকলো (ভুল পথেৰে গ'লেও) নিজৰ জীৱন আহুতি দিলেনে? সেয়ে মোৰ ছহিদৰ কথাত আলবেয়াৰ 'The Fall' নামৰ উপন্যাসখনৰ এই বাক্যটোকে মনত পৰি যায় — 'Martyrs are either ridiculed or made use of' —।

এতিয়া আন্দোলনটোত মোৰ অভিজ্ঞতাৰ কথালৈ আহোঁ। সেই সময়ত মই 'সাপ্তাহিক নীলাচল'ৰ সহকাৰী সম্পাদিকা আছিলোঁ আৰু উত্তৰ কামৰূপত এই আন্দোলনৰ ফলত নানা মাৰ-কাট হোৱাত সেই অঞ্চলটো মিলিটাৰীৰ অধীনলৈ অনা হৈছিল আৰু নলবাৰীত আবেলি চাৰি বজাৰপৰা সান্ধ্য আইন জাৰি কৰা হৈছিল। সেই সময়ত বাতৰি কাকতত খবৰ প্ৰচাৰিত হ'ল যে অঞ্চলটোৰ খাখৰিশাল, কুমাৰীকাটা আদিত মিলিটাৰীয়ে কেইজনীমান মহিলাকে ধৰ্ষণ কৰিছে। আমাৰ মহিলাকে ধৰি বিভিন্ন অনুষ্ঠানে সেই ঘটনাৰ বুজ ল'বলৈ তালৈ ঢাপলি মেলাত ময়ো 'মহিলা সংঘ' নামৰ এটা অনুষ্ঠানৰ নেত্ৰী হেনা বৰাৰ লগত ১৯৮০ চনৰ ১৬ জানুৱাৰিৰ দিনা তালৈ গৈছিলোঁ, পিছে কেঁচু খান্দিবলৈ যাওঁতে যেন সাপহে ওলাইছিল, আমাৰ বাতৰি কাকতবোৰে অসমীয়া খিলঞ্জীয়া মানুহ বাংলাদেশীৰ হাতত নিগৃহীত হৈ নিজৰ ঘৰৰপৰাই বহিষ্কৃত হোৱা বুলি যিবোৰ খবৰ ওলাই আছিল আমি তাত সম্পূৰ্ণ বিপৰীত চিত্ৰহে দেখা পালোঁ। (এই পক্ষপাত, এই সত্যৰ বিকৃতিকৰণ আজিও আমাৰ বাতৰি কাককবোৰে কম-বেছি পৰিমাণে চলাই আছে, গতিকে সেই ১৯৮০ চনৰ ১৬-১৭ জানুৱাৰিত মোৰ বাতৰি কাকতবোৰৰ প্ৰতি যি আস্থা লুপ্ত হৈছিল সি আজিও প্ৰায় একেই আছে।)

যিহওক, মই ঘটনাক্ৰমে তাত কেবাটাও আশ্ৰয় শিবিৰলৈ যোৱাৰ সুযোগ পাই ছিলোঁ, য'ত আছিল পূব-পাকিস্তানৰপৰা অহা, দেশ বিভাজনৰ সময়ত, কোন-কাহানিবাই অহা হিন্দু আৰু মুচলমান মানুহ, যাৰ স্কুলীয়া শিক্ষা চলিছিল অসমীয়াৰ যোগেদি। কিন্তু অসমীয়া আন্দোনকাৰীসকলে, ৰাইজে সেই সকলক বাংলাদেশী বুলি অত্যাচাৰ কৰি গৃহহীন কৰিছিল। তাতেই এটা ৰাস্তাৰ এঠাইত লগ পাইছিলোঁ জুনিয়ৰ ডাক্তৰ ছাত্ৰ-সন্থাৰ ডাক্তৰ কেইজনমানক তেওঁলোকে বাংলাদেশী বুলি এই শিবিৰবোৰৰ আহত লোকসকলক চিকিৎসা কৰাৰ গৰজ পৰা নাই বুলি মোক উষ্মাৰে কোৱাত ময়ো তেওঁলোকক জাতি-ধৰ্ম-বৰ্ণ-ভাষা-নিৰ্বিশেষে সকলোকে চিকিৎসা সেৱা আগবঢ়োৱাটো ডাক্তৰৰ ধৰ্ম বুলি একে উষ্মাৰে কৈছিলোঁ আৰু তাৰ্বাবেই জন্মলগ্নৰেপৰা চাকৰি কৰা সাপ্তাহিক নীলাচলৰপৰা মোক বহিষ্কৃত কৰিছিল, কাৰণ মই বোলে ডাক্তৰসকলক কাকতখনৰ নীতি-বিৰুদ্ধ কথা কৈছিলোঁ! কাকতখনে অন্ততঃ বাংলাদেশীক বহিষ্কাৰ কৰিব নোৱাৰিলেও মোক বহিষ্কাৰ কৰি অন্ততঃ এগৰাকী 'বাংলাদেশী দৰদী'কতো বহিষ্কাৰ কৰিছিল। যথা লাভ!

আজি এই লেখাটোত মই সেই সময়ত উত্তৰ কামৰূপত দেখা ঘটনাৱলী লিপিবদ্ধ কৰিব খুজিছোঁ, কিন্তু মোৰ কাম লাঘব হ'বলৈ তেতিয়া ড° হীৰেন গোহাঁয়ে সম্পাদনা কৰা 'কলাখাৰ' নামৰ সাপ্তাহিকত মোৰ সেই অভিজ্ঞতাৰে লেখা



OKDISCD

যজ্ঞকাৰী মানুহবোৰৰ প্ৰতি মোৰ যি কৰুণা জাগিল সেই কৰুণা হ'ল হাজাৰ দোষত দোষী হ'লেও আপোন মানুহে লাভ কৰা কৰুণা। এই মানুহবোৰ মোৰ কিমান আপোন, এই মানুহবোৰ মোৰ কিমান চিনাকি—সেই কোনোবা ল'ৰালিতে এওঁলোকৰ একো একোজনক চিনি পাইছিলোঁ আৰু হৃদয়ত সাঁচি ৰখা সেই দৰিদ্ৰ আৰু অজ্ঞ মানুহবোৰৰ একো একোটা ছবি মোৰ পৰৱৰ্তী কিতাপবোৰত ফুটাই তুলিবলৈ যত্নপৰ হৈছিলোঁ। এওঁলোকৰ মানসিক অৱস্থাটো যেন মই অলপ অলপ বুজি পাওঁ—ক্ৰমবৰ্ধমান জনসংখ্যা, ভূমিৰ নাটনি, হাজাৰ-বিজাৰ অৰ্ধশিক্ষিত নিবনুৱা গাঁৱলীয়া ডেকা, অসীম দাৰিদ্ৰ্য, ভৱিষ্যতৰ আশাৰ ছবি লুপ্ত.....এনে এক সমস্যা জৰ্জৰিত জনগণ নানা প্ৰৰোচনা আৰু লোভৰ দ্যুতি দেখি হঠাৎ যে উন্মাদ হৈ যাব পাৰে তাত কি আচৰিত মানিবলগীয়া কথা আছে? কিন্তু হায়, তেওঁলোকে নাজানিছিল যে যিবোৰ মানুহক কাটি-মাৰি খাস্তাং কৰি গৃহচ্যুত কৰি সেই ভূমি বা সম্পত্তি পোৱাৰ অলীক স্বপ্ন দেখিছিল, সেই মানুহবোৰক পুনৰ্সংস্থাপন কৰিবলৈ যাওঁতে (মানসিক পুনৰ্সংস্থাপন যে কোন সুদূৰ ভৱিষ্যতত হ'ব তাৰ কথা বাৰু এৰিছোঁৱেই) অসম চৰকাৰৰ যি লাখ লাখ টকা খৰচ হ'ব তাৰ বোজা যে তেওঁলোকেও বহন কৰিব লাগিব। তেওঁলোকে বাৰু এই কথাটোও কেতিয়াবা ভাবি চাইছেনে যে আমাৰ যি চৰকাৰ, যি সমাজ ব্যৱস্থা—তাৰ ফলত লাখ লাখ বিদেশী নাগৰিকক অসমভূমিৰপৰা আঁতৰালেও সেই মাটি-সম্পত্তিৰ ভাগ আমাৰ দৰিদ্ৰ জনগণে নাপাবও পাৰে?

নলবাৰী পাবলৈ প্ৰায় দুই কিলোমিটাৰ বাকী, বাটৰ দাঁতিত দেখিলোঁ মেডিকেল কলেজৰ ছাত্ৰসকলৰ বাছখন ৰৈ আছে। (এওঁলোকে উত্তৰ কামৰূপ ভ্ৰমণ কৰা খবৰ পিছত ১৯ জানুৱাৰিৰ ট্ৰিবিউনত প্ৰকাশ হৈছে) মই যেন ঘৰৰ ল'ৰাহে লগ পালোঁ এনেকৈ টেক্সি ৰখাই বাছখনৰ পিনে আগবাঢ়ি গ'লোঁ। মোৰ বৰপুত্ৰই এইবাৰ বি এছ চি দিব—হয়তো এওঁলোকৰ মাজতে কটনত একেলগে পঢ়া তাৰ কোনো বন্ধুও আছে।

ল'ৰাবোৰৰ লগত ইটো-সিটো কথা পাতি ক'লোঁ যে আমি মুকালমুৱাৰপৰা উভতিছোঁ, তেওঁলোকে জনালে যে তেওঁলোক নগ'ল কাৰণ নলবাৰীৰ এছ ডি অ'ই যাব নিদিলে। মই অলপ আচৰিত হ'লোঁ—নাহেৰবাৰীৰ আৰু ৰাঙাফালীৰ চৰকাৰী শিবিৰ আমি দেখা নাই, কিন্তু নলবাৰীৰ আৰু মুকালমুৱাৰ দেখাৰ পিছত বুজিছিলোঁ মুকালমুৱাতেই বেছি সাহায্যৰ দৰকাৰ। যি হওক, মই তেতিয়া সুধিছিলোঁ তেওঁলোক নলবাৰীৰ শিবিৰ দুটালৈ গৈছিল নে নাই। অতি সাধাৰণভাৱে সোধা প্ৰশ্ন এটা—সুধিব লাগে বাবেই যেন সুধিছিলোঁ। উত্তৰত তেওঁলোকে ক'লে যে সেই বাংলাদেশীৰ শিবিৰ দুটাত সাহায্য দিবলৈ যোৱাৰ তেওঁলোকৰ কোনো গৰজ পৰা নাই। শুনাৰ লগে লগে মই ন্যায়সংগত খঙেৰে কৈ উঠিলোঁ—'তোমালোকতো ডাক্তৰ, তোমালোকৰ প্ৰতি আমাৰ বৰ শ্ৰদ্ধা, কাৰণ আৰ্ত মানৱক সেৱা কৰাই তোমালোকৰ ধৰ্ম, তোমালোকৰ মানুহৰ বাছ-বিচাৰ থকাটো উচিত নহয়। তদুপৰি নলবাৰীৰ শিবিৰ দুটাততো বাংলাদেশী নাই, আছে অসমীয়া হৈ পৰা বঙালী লোক। এনে অপপ্ৰচাৰে বৰ বেয়া কাণ্ড কৰি আছে। আজিয়ে মই এই কথা এছ ডি অ'ক ক'ম আৰু শংকৰদয়াল শৰ্মাকো ব্যক্তিগতভাৱে জনাম।'

এইখিনিয়ে কৈছিলোঁ। কিন্তু ভিতৰি ভিতৰি মোৰ মূৰত জুই জ্বলি গৈছিল, আমি কি মানুহ—আমিয়েই ন-অসমীয়াসকলক আশ্ৰয়চ্যুত কৰিলোঁ, আঘাত কৰিলোঁ এতিয়া ক'ত অনুতপ্ত হ'ম, পাপৰ প্ৰায়শ্চিত্ত কৰিম আৰু দুৰ্গতৰ সেৱা কৰিম, নাই ইমান আঘাত দিয়া মানুহবোৰক এতিয়াও বাংলাদেশী বুলি অপবাদ দি দিয়ে। আমি আমাৰ সকলো মানৱতাক জলাঞ্জলি দি অসমী আইকো ভালপোৱা দেখুৱাই থাকিম। আমাৰ এনে বিবেকৰহিত স্বাৰ্থান্ধ ভালপোৱা অসমী আয়ে সঁচায়ে গ্ৰহণ কৰিছেনে?

ইয়াৰ পিছত আমি গুৱাহাটীগামী ষ্টেট বাছত উঠি বহিলোঁ আৰু সেই জুনিয়ৰ ডাক্তৰৰ আছুৰ সন্থাৰ এটা ছাত্ৰৰ জুমে আহি মোক ঘেৰাও কৰি নানা ককৰ্থনা আৰু কুবাক্যৰে অন্তৰ বিদ্ধ কৰি পেলালে। শেষত সেই বাছ ভৰ্তি মানুহবোৰৰ আগতে মোৰ পুত্ৰৰ বয়সীয়া ল'ৰাবোৰৰ এজনে এনে এটা অপমানসূচক বাক্যবাণ নিক্ষেপ কৰিলে যে প্ৰায় স্তব্ধ হৈ বহি থকা মই মানুহজনীৰ চকুলো বাহিৰ কৰি দিলে।

১৮ তাৰিখে গুৱাহাটীৰ জজ খেলপথাৰতো ড° নিৰ্মলপ্ৰভা বৰদলৈৰ নেতৃত্বত যি নাৰী নিৰ্যাতন দিৱস অনুষ্ঠিত হৈছিল তাতো হেনো এই ছাত্ৰসকলৰ নেতাই সমবেত ৰাইজৰ আগত আমাৰ স্বৰূপ উদ্‌ঘাটন কৰি সকলোৰে ধিক্কাৰৰ পাত্ৰ কৰি তুলিলে। সেই বাতৰি শুনি মই মনতে কেৱল প্ৰহসনৰ কথা ভাবিছোঁ—আগদিনা নলবাৰীত যি দুগৰাকী নাৰীক বাছভৰ্তি মানুহৰ আগত পুৰুষৰ প্ৰতিনিধি এজনে মানসিক নিৰ্যাতন কৰিলে, পিছদিনা সেইসকলে পুনৰ সেই দুগৰাকীৰ নিৰ্যাতন পৰ্বৰ পুনৰাবৃত্তি কৰিলে। হায়, আমাৰ ধৰ্ষিতা নাৰীৰ অপমানত ক্ৰোধোন্মত্ত হৈ উঠা নতুন পুৰুষৰ দল।

তাৰ পিছৰেপৰা নানা নতুন ঘটনাপ্ৰবাহে মোৰ বিযাদৰ হাঁহিটো স্থায়ী কৰি ৰাখিছে—নলবাৰীৰ বহুসংখ্যক নাৰীৰ নিৰ্যাতনত আমি নীৰৱ হৈ ৰ'লোঁ আৰু কেইগৰাকীমানৰ নিৰ্যাতনতহে ক্ৰোধত পাগলপ্ৰায় হৈ পৰিলোঁ। ভাৰতবৰ্ষৰ নাৰীৰ নানা নিৰ্যাতনৰ কাহিনী 'সাপ্তাহিক নীলাচল'ৰ পাতত মই বহুতবাৰ লেখিছোঁ। এক নিৰ্মম সত্য এয়ে যে আমাৰ পুৰুষপ্ৰধান সমাজত নাৰী নিৰ্যাতনৰ প্ৰধান হোতা হ'ল পুৰুষসকলেই। নলবাৰী অঞ্চলত মিলিটাৰী বা চি আৰ পি-ৰ নাৰীৰ ওপৰত অত্যাচাৰৰ বাবে পৰোক্ষভাৱে দায়ী তেওঁলোকৰ অভিভাৱকসকলেই—কাৰণ তেওঁলোকৰ অপকৰ্মৰ বাবে মিলিটাৰীক সেই গ্ৰামাঞ্চলবোৰলৈ আহ্বান কৰি আনিব লগা হ'ল। যি হওক, গাঁৱৰ এই ধৰ্ষিতা গাভৰুসকলক সিদিনাৰ ৰাজহুৱা সভাত সতী আখ্যা দিয়া হৈছে। মই আমাৰ নতুন পুৰুষসকলক আহ্বান কৰিলোঁ — "এই সতীসকলক তেওঁলোকৰ কেইজনমানে জীৱনসংগিনী হিচাপে গ্ৰহণ কৰি সমাজচ্যুত হ'বলগীয়া হোৱা দুৰ্ভাগিনীসকলৰ প্ৰতি উথলি উঠা তেওঁলোকৰ মমতা আৰু বেথাক আন্তৰিক বুলি পৰিচয় দিয়ক।" ◗



সাক্ষাৎকাৰ

# ড° দেৱপ্ৰসাদ প্ৰসাদ বৰুৱাৰ সৈতে কথোপকথন

*? অসম আন্দোলনৰ সময়ত যিকেইজন ব্যক্তি অতি ঘনিষ্ঠভাৱে জড়িত আছিল, তাৰে ভিতৰত আপোনাৰ নামো সোঁৱৰণ কৰা হয়। ১৯৫০ৰ the Immigrants (Expulsion from Assam) Act আৰু ১৯৬৩ৰ The Foreigners (Restricted Areas) Orderৰ দৰে আইন থকা পিছতো এইদৰে আন্দোলন কৰাতকৈ আপোনালোকে এটা pressure group সৃষ্টি নকৰিলে কিয়?*

ঃ আচলতে এই আইনবোৰ কোনে কাৰ্যকৰী কোনে কৰিব লাগিছিল? শাসনত থকা বিলাকে। তেওঁলোকে সেই দায়িত্ব পালন কৰা নাছিল। নিৰ্বাচনত জিকাটোহে তেওঁলোকৰ দায়িত্ব আছিল। দায়িত্ব পালন চৰকাৰেও কৰা নাছিল, বিৰোধী দলেও কৰা নাছিল। সেইকাৰণে অসম আন্দোলন হ'ল এনেকুৱা আন্দোলন যি ৰাজনৈতিক দলৰ পৰিসৰৰ বাহিৰত হোৱা আন্দোলন। ইয়াক নেতৃত্ব দিছিল সদৌ অসম ছাত্ৰ সন্থাই। আছুৰ উদ্যোগতেই সদৌ অসম গণ সংগ্ৰাম পৰিষদো গঠন হৈছিল।

*? সদৌ অসম ছাত্ৰ সন্থাই সংবিধানৰ গণ্ডীৰ ভিতৰতেই এই সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰক এখন স্মাৰক-পত্ৰ দিছিল। তাত তেওঁলোকে ১৯৫০ আৰু ১৯৬৩ৰ এই আইন দুখনৰ কথা উল্লেখ কৰিছিলনে?*

ঃ এই স্মাৰক-পত্ৰ দিছিল ২ ফেব্ৰুৱাৰি, ১৯৮০ত। নিৰ্দিষ্টভাৱে উল্লেখিত নাছিল। কিন্তু মূল কথাবিলাক আছিল; নহ'লেনো অকল বিদেশী খেদা আন্দোলন বুলি কেনেকৈ ক'ব?

*? বহিৰাগত শব্দটিৰ ঠাইত অবৈধ বিদেশী শব্দটি ব্যৱহাৰ হোৱাৰ কাৰণ কি আছিল?*

ঃ বহিৰাগত বুলি ক'লে confused হোৱাৰ সম্ভাৱনা বেছি। সেইবাবে বিদেশী নাগৰিক আন্দোলন বোলা হৈছিল। মই কৈছিলোঁ — 'Save Assam today to save India tomorrow.'

*? ১৯৭১ চনতেই আলফাৰ মুখ্য উপদেষ্টা ভীমকান্ত বুঢ়াগোহাঁই আৰু নিত্য হাজৰিকাই গঠন কৰা এটা সংগঠন জৰিয়তে বহিৰাগত খেদোৱাৰ এটা Proposal দিছিল। কোন সময়ৰপৰা অসম আন্দোলনৰ নেতৃবৰ্গই বহিৰাগত শব্দটিৰ ঠাইত বিদেশী শব্দটো ব্যৱহাৰ কৰে?*

ঃ অসম আন্দোলনৰ নেতৃত্বই যেতিয়া সংগঠিত আন্দোলনৰ ৰূপ ধাৰণ কৰিলে আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদ গঠন হ'ল, তেতিয়াৰেপৰা এওঁলোকৰ আন্দোলনৰ যিটো প্ৰচাৰ আৰু নীতি তেওঁলোকে তাত বিদেশী নাগৰিক কথাটো ব্যৱহাৰ কৰিছিল। মুক্ত সীমাৰ কাৰণে ১৯৫০ৰ পৰা এই সোঁত বৈ আছে। পূৰ্বৰ ঘটনাৱালীয়ে প্ৰমাণ কৰে যে অসমীয়া জাতিসত্তা বিপদত পৰিছে। গোলাম চাহাবে ১৯৩১ৰ ৰিপৰ্টত লিখিছিল — 'মৈমনসিঙৰপৰা যি সোঁত বৈছে, এদিন হয়তো শিৱসাগৰতহে অসমীয়াৰ অস্বিত্ব থাকিব।'

*? জনসাধাৰণে আপোনাক জানে এজন বাওঁপন্থী চিন্তাবিদ হিচাপে। কিন্তু তথাপিও আপুনি এজন অসম আন্দোলনৰ মাৰ্গদৰ্শী নেতা সংস্থাগত বিৰোধিতাৰপৰা আঁতৰি হোৱা এই পৰিৱৰ্তনক আপুনি আপোনাৰ আদৰ্শৰ সংশোধন বুলি ভাবে নে জাতীয় প্ৰয়োজনীয় চেতনা বুলি ভাবে?*

ঃ মোৰ আদৰ্শৰ কোনো পৰিৱৰ্তন হোৱা বুলি মই নাভাবোঁ। দলীয় ৰাজনীতিত মই নাই। অৱশ্যে ১৯৪৭ৰ পৰা ১৯৬৪লৈ আছিলোঁ। C. P. I.ত। ১৯৪৬ত C. P. I. বিভক্ত হ'ল। C. P. M. হ'ল। মই কাকো বন্ধু বুলি কাকো শত্ৰু বুলি জ্ঞান নকৰিলোঁ। ১৯৬৪ৰ পাছৰপৰা মই কোনো ৰাজনৈতিক দলৰ সদস্য নহয়। কাৰণ মই ভাবোঁ দলীয় ৰাজনীতি নকৰিলেও মানুহে জনগণৰ স্বাৰ্থত ৰাজনীতি কৰিব পাৰে। আদৰ্শৰ কথা ক'বলৈ গ'লে মানৱতাৰ ক্ষেত্ৰত মই কাৰ্লমাৰ্ক্স আৰু মহাত্মাৰ আদৰ্শক স্বীকাৰ কৰোঁ। কিন্তু প্ৰণালীবদ্ধভাৱে অৰ্থনৈতিক ক্ষেত্ৰত মহাত্মাতকৈ কাৰ্লমাৰ্ক্সৰ অৱদান বেছি। যদিও মাৰ্ক্সে সমাজবাদৰ কথা কৈছিল, লগতে কৈছিল — "ব্যক্তিৰ মুক্ত বিকাশ হ'লে সমাজৰ বিকাশ হ'ব।" সৰ্বহাৰাৰ প্ৰসংগত তেখেতে কৈছিল — "Nothing to loose but win the whole world." সুস্থ জাতীয়তাবাদ, সুস্থ আঞ্চলিকতাবাদ — এইবিলাক লৈয়েতো আন্তৰ্জাতিকতাবাদ হৈছে। আচলতে সুস্থ জাতীয়তাবাদ আৰু সুস্থ আঞ্চলিকতাবাদৰ কোনো পাৰ্থক্য নাই। গতিকে মই ভাবোঁ যে মোৰ আদৰ্শৰ কোনো পৰিৱৰ্তন হোৱা নাই। United Nations য়েও আঞ্চলিকতাবাদক সমৰ্থন কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামেও আঞ্চলিকতাবাদক সমৰ্থন দিছিল।

*? অসম আন্দোলন আৰম্ভ হোৱাৰ সময়ত সুস্থ আঞ্চলিকতাবাদ বা সুস্থ জাতীয়তাবাদৰ চৰ্চা হৈছিলনে বাৰু?*



Checked